প্ৰেছ বিজ্ঞপ্তি

২১ ডিচেম্বৰ,২০১৬

**১০ নৱেম্বৰৰ পৰা ১৯ ডিচেম্বৰ,২০১৬ সময়ছোৱাত বেংকনোটৰ বিতৰণ**

৮ নৱেম্বৰম, ২০১৬ৰ মাজনিশাৰ পৰা ৫০০ টকা আৰু ১০০০ টকা মুদ্ৰাবৰ্গৰ বেংক নোটৰ বৈধ মুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰৰ ঘোষণাটোৰ পৰিণামস্বৰূপে ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকবিলাকৰ যোগেদি জনসাধাৰণক বিভিন্ন মুদ্ৰাবৰ্গৰ বেংকনোট পৰ্যাপ্ত পৰিমাণে যোগান ধৰিবলৈ ব্যৱস্থা কৰে।

১০ নৱেম্বৰ, ২০১৬ৰ পৰা ১৯ ডিচেম্বৰ,২০১৬ৰ মাজৰ সময়ছোৱাত বেংকবিলাকে জনাইছে যে ৰাইজক কাউন্টাৰেদি বা এটিএমযোগে ৫,৯২,৬১৩ কোটি টকা মূল্যৰ বেংকনোট বিতৰণ কৰা হৈছে।

এই সময়ছোৱাত ৰিজাৰ্ভ বেংকে ৰাইজক বিতৰণৰ কাৰণে বেংক আৰু শাখাবোৰক বিভিন্ন মুদ্ৰাবৰ্গৰ ২২.৬ বিলিয়ন খিলা বেংকনোট উলিয়াই দিয়ে, যিবোৰৰ ভিতৰত আছে ২০.৪ বিলিয়ন খিলা ক্ষুদ্ৰ মুদ্ৰাবৰ্গ ১০, ২০, ৫০ আৰু ১০০ টকাৰ আৰু ২.২ বিলিয়ন খিলা উচ্চ মুদ্ৰাবৰ্গৰ ২০০০ টকা আৰু ৫০০ টকাৰ।

**(অজিত প্ৰসাদ)**

সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি – ২০১৬-১৭/১৬০২**